# 3 (Sem–5/CBCS) PHI RE 1/2

## 2023

## PHILOSOPHY

## ( Regular Elective )

Paper : PHI–RE–5016/5026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Answer from *either* Option—A *or* Option—B

OPTION—A

Paper : PHI–RE–5016

**( Contemporary Indian Philosophy )**

1. Answer the following as directed : 1×10=10

তলত দিয়াসমূহৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

*(a)* In which book, Sri Aurobindo discussed 'the theory of evolution'?

শ্ৰী অৰবিন্দই তেওঁৰ কোনখন গ্ৰন্থত 'বিৱৰ্তন তত্ত্ব'ৰ বিষয়ে আলোচনা কৰিছিল ?

*(b)* State one basic difference between mind and supermind.

মন আৰু অতিমানসৰ মাজৰ এটা মৌলিক পাৰ্থক্য লিখা।

(c) Is intellect contrary to intuition, according to Radhakrishnan?

ৰাধাকৃষ্ণনৰ মতে বুদ্ধি স্বজ্ঞাৰ বিৰোধী নেকি?

(d) According to Gandhi, God is Truth/ Truth is God.

( Choose the correct answer )

গান্ধীৰ মতে, ঈশ্বৰেই সত্য/সত্যই ঈশ্বৰ।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(e) Who was the author of *An Idealist View of Life*?

*An Idealist View of Life* গ্ৰন্থখনৰ প্ৰণেতা কোন?

(f) Swami Vivekananda's Practical Vedanta emphasized the path of action/ knowledge/Bhakti.

( Choose the correct answer )

স্বামী বিবেকানন্দৰ ব্যৱহাৰিক বেদান্তই কৰ্ম মাৰ্গ/জ্ঞান মাৰ্গ/ভক্তি মাৰ্গৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছিল।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(g) "Man is a finite-infinite being." Name the philosopher associated with this statement.

"মানুহ হ'ল এক সসীম-অসীম সত্তা।" এই উক্তিটোৰ সতে জড়িত দাৰ্শনিকজনৰ নাম লিখা।

*(h)* What is the essence of Vivekananda's philosophy of education?

বিবেকানন্দৰ শিক্ষা দৰ্শনৰ সাৰতত্ত্ব কি?

*(i)* Who was the author of *The Story of My Experiments with Truth*?

*The Story of My Experiments with Truth* গ্ৰন্থৰ প্ৰণেতা কোন?

*(j)* Intuitive knowledge is empirical/rational.

( Choose the correct answer )

স্বজ্ঞা অভিজ্ঞতালব্ধ/বৌদ্ধিক।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

**2.** Answer the following questions in brief : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা :

*(a)* What is supermind?

অতিমানস কাক বোলে?

*(b)* Write two basic differences between Advaita Vedanta and Practical Vedanta.

অদ্বৈত বেদান্ত আৰু ব্যৱহাৰিক বেদান্তৰ মাজৰ দুটা মৌলিক পাৰ্থক্য লিখা।

*(c)* What is the meaning of Swadeshi in Gandhi's philosophy?

গান্ধীৰ দৰ্শনত স্বদেশীৰ অৰ্থ কি?

*(d)* Write two criticisms of Gandhi against industrialization.

ঔদ্যোগীকৰণৰ বিৰুদ্ধে গান্ধীয়ে কৰা দুটা সমালোচনা লিখা।

*(e)* State the three terms along with their meanings found in 'Saccidananda'.

'সচ্চিদানন্দ' ধাৰণাটোত নিহিত থকা শব্দ তিনিটা অৰ্থসহ উল্লেখ কৰা।

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

*(a)* Give a brief note on the concept of integral Yoga of Sri Aurobindo.

শ্ৰী অৰবিন্দৰ সৰ্বাংগীন যোগৰ ধাৰণাটো চমুকৈ লিখা।

*(b)* Write a short note on trusteeship.

ন্যাসবাদৰ বিষয়ে এটা চমু টোকা লিখা।

*(c)* What are the limitations of intellect according to Radhakrishnan?

ৰাধাকৃষ্ণনৰ মতে বুদ্ধিৰ সীমাবদ্ধতাবোৰ কি কি?

*(d)* Write the concept of Sarvodaya in Gandhi's philosophy.

গান্ধীৰ দৰ্শনত সৰ্বোদয়ৰ ধাৰণাটো লিখা।

(e) Briefly explain the concept of religious experience according to Radhakrishnan.

ৰাধাকৃষ্ণনৰ মতে ধৰ্মীয় অভিজ্ঞতাৰ ধাৰণাটো চমুকৈ ব্যাখ্যা কৰা।

(f) Write the basic features of Vivekananda's philosophy of education.

বিবেকানন্দৰ শিক্ষা দৰ্শনৰ মূল বৈশিষ্ট্যসমূহ লিখা।

4. Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Explain Sri Aurobindo's theory of evolution.

শ্ৰী অৰবিন্দৰ বিৱৰ্তনবাদ ব্যাখ্যা কৰা।

(b) Explain the relation between intellect and intuition according to Radhakrishnan.

ৰাধাকৃষ্ণনৰ মতানুসৰি বুদ্ধি আৰু স্বজ্ঞাৰ সম্পৰ্কৰ বিষয়ে ব্যাখ্যা কৰা।

(c) Elaborately discuss the concept of Universal Religion of Vivekananda.

বিবেকানন্দৰ সাৰ্বজনীন ধৰ্মৰ ধাৰণাটো বহলাই আলোচনা কৰা।

(d) Write an essay on Gandhi's concept of non-violence.

গান্ধীৰ অহিংসাৰ ধাৰণাটোকলৈ এখন ৰচনা লিখা।

*(e)* Describe Vivekananda's Practical Vedanta.

বিবেকানন্দৰ ব্যৱহাৰিক বেদান্তৰ বিষয়ে বৰ্ণনা কৰা।

*(f)* Explain Radhakrishnan's concept of man and his destiny.

ৰাধাকৃষ্ণনৰ মতানুসৰি মানৱ আৰু মানৱৰ অদৃষ্টৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱা।

*(g)* Discuss about the practice of religion in daily life as explained by Gandhi.

গান্ধীয়ে বৰ্ণনা কৰা ধৰণে দৈনন্দিন জীৱনত ধৰ্মৰ অনুশীলনৰ বিষয়ে আলোচনা কৰা।

*(h)* Write an essay on Satyagraha.

সত্যাগ্ৰহৰ বিষয়ে এখন ৰচনা লিখা।

## OPTION—B

## Paper : PHI–RE–5026

## ( Western Philosophy )

**1.** Answer the following as directed : 1×10=10

তলত দিয়াসমূহৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

*(a)* According to Plato, particulars are real/ copies of reality.

( Choose the correct answer )

প্লেটোৰ মতে, বিশেষ হৈছে সত্তা/সত্তাৰ প্ৰতিলিপি।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(b)* Who is the author of the book, *Republic*?

*Republic* গ্ৰন্থখনৰ লেখক কোন?

*(c)* According to Descartes, mathematical knowledge is rational/sensual.

( Choose the correct answer )

ডেকাৰ্টৰ মতে, গাণিতিক জ্ঞান বুদ্ধিগত/অভিজ্ঞতাগত।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

*(d)* Who is the father of modern Western Philosophy?

আধুনিক পাশ্চাত্য দৰ্শনৰ জনক কোন?

*(e)* Spinoza is a monist/pluralist.

( Choose the correct answer )

স্পিনোজা এজন একত্ববাদী/বহুত্ববাদী দাৰ্শনিক।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

(f) How many substances are admitted by Leibniz?

লিব্‌নিজে কেইটা দ্ৰব্যক স্বীকাৰ কৰিছে?

(g) Who is the founder of empiricism?

অভিজ্ঞতাবাদৰ প্ৰৱৰ্তক কোন?

(h) Who is the founder of subjective idealism?

আত্মগত ভাৱবাদৰ প্ৰৱৰ্তক কোন?

(i) Who was the author of *An Enquiry Concerning Human Understanding*?

*An Enquiry Concerning Human Understanding* গ্ৰন্থখনৰ লেখক কোন?

(j) According to Kant, synthetic a priori judgement is possible/impossible.

( Choose the correct answer )

কান্টৰ মতে, প্ৰত্যক্ষপূৰ্ব সংশ্লেষাত্মক অৱধাৰণ সম্ভৱ/ অসম্ভৱ।

( শুদ্ধ উত্তৰটো বাছি উলিওৱা )

**2.** Answer the following questions in brief : 2×5=10

তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ লিখা :

(a) State any two characteristics of Forms or Ideas as shown by Plato.

প্লেটোই দেখুওৱা ধৰণে প্ৰত্যয় বা ধাৰণাৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

*(b)* What are the four causes in Aristotle's philosophy?

এৰিষ্ট'টলৰ দৰ্শনৰ চাৰিবিধ কাৰণ কি কি?

*(c)* Name two books written by Descartes.

ডেকাৰ্টৰ দ্বাৰা ৰচিত দুখন কিতাপৰ নাম লিখা।

*(d)* What do you mean by *(i)* Natura-Naturans and *(ii)* Natura-Naturata?

*(i) Natura-Naturans* আৰু *(ii)* Natura-Naturata বুলিলে কি বুজা?

*(e)* What is causation according to Hume?

হিউমৰ মতে কাৰ্যকাৰণ কি?

**3.** Answer any *four* of the following questions : 5×4=20

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

*(a)* Write a short note on Augustine's concept of 'problem of evil'.

আগষ্টাইনৰ 'অমঙ্গলৰ সমস্যা'ৰ ধাৰণাটোৰ বিষয়ে এটি চমু টোকা লিখা।

*(b)* Explain Descartes' 'cogito ergo sum'.

ডেকাৰ্টৰ 'মই ভাবোঁ, গতিকে মই আছোঁ' ব্যাখ্যা কৰা।

*(c)* Write a short note on Spinoza's concept of God.

স্পিনোজাৰ ঈশ্বৰৰ ধাৰণাৰ বিষয়ে এটি চমু টোকা লিখা।

*(d)* What do you mean by 'pre-established harmony' of Leibniz?

লিব্‌নিজৰ 'পূৰ্ব-প্ৰতিষ্ঠিত সামঞ্জস্যবাদ' বুলিলে কি বুজা?

*(e)* Explain briefly Hume's scepticism.

হিউমৰ সংশয়বাদৰ চমু ব্যাখ্যা আগবঢ়োৱা।

*(f)* Explain Kant's statement that 'Space and Time are empirically real'.

'দেশ আৰু কাল অভিজ্ঞতামূলকভাৱে বাস্তৱ'—কান্টৰ এই উক্তিটো ব্যাখ্যা কৰা।

**4.** Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

*(a)* Critically discuss Plato's theory of Idea.

প্লেটোৰ ধাৰণা বা প্ৰত্যয় মতবাদৰ সমালোচনাত্মক আলোচনা আগবঢ়োৱা।

*(b)* Discuss Aristotle's views on Form and Matter.

এৰিষ্ট'টলৰ আকাৰ আৰু উপাদানৰ ধাৰণাৰ বিষয়ে আলোচনা কৰা।

*(c)* Explain the concept of 'Freedom of Will' of Augustine.

আগষ্টাইনৰ 'ইচ্ছাৰ স্বাধীনতা'ৰ ধাৰণাটো ব্যাখ্যা কৰা।

*(d)* How does Descartes explain the relation between mind and body? Discuss.

ডেকাৰ্টে কেনেদৰে মন আৰু শৰীৰৰ মাজৰ সম্বন্ধ ব্যাখ্যা কৰিছে? আলোচনা কৰা।

*(e)* How does Spinoza develop Descartes' theory of substance? Discuss.

স্পিনোজাই কেনেকৈ ডেকাৰ্টৰ দ্ৰব্য তত্ত্বটো বিকাশ কৰিছিল? আলোচনা কৰা।

*(f)* Explain and examine the difference between the primary and secondary qualities of Locke.

ল'কৰ মুখ্য গুণ আৰু গৌণ গুণৰ মাজৰ পাৰ্থক্যৰ ব্যাখ্যা আৰু পৰীক্ষা আগবঢ়োৱা।

*(g)* Discuss Hume's view of Self.

হিউমৰ আত্মাসম্পৰ্কীয় অভিমত আলোচনা কৰা।

*(h)* Explain Kant's critical theory of knowledge.

কান্টৰ জ্ঞান-সম্পৰ্কীয় সবিচাৰবাদক ব্যাখ্যা কৰা।

★★★